# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 27-06-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

::::::::::::::::::::::::::::::::

খনি আৰু খনিজাত পদাৰ্থ সঠিকভাৱে অন্বেষণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। খনিজ খণ্ডৰ অন্বেষণমূলক কাম-কাজসমূহ বৃদ্ধি কৰাৰ বাবে অসম ৰাজ্যিক খনিজ অন্বেষণ ন্যাস গঠনত অনুমোদন জনোৱা হৈছে। গুৱাহাটীৰ সোণাপুৰত খনি মন্ত্ৰালয়ৰ উদ্যোগত তথা কয়লা মন্ত্ৰালয় আৰু অসম চৰকাৰৰ সহযোগত উত্তৰ-পূৰ্বাঞ্চলৰ খনি মন্ত্ৰীসকলৰ দ্বিতীয়খন সন্মিলনত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিগত হস্তক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কয়লা ক্ষেত্ৰসমূহ মুকলি হ'ল আৰু বৰ্তমান ইয়াৰ সুফল লাভ কৰা হৈছে বুলি মন্তব্য কৰে। খনিজ সম্পদ খণ্ডত অসমৰ বিকাশ যাত্ৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ডিমাহাচাও জিলাৰ বড়ো হাংডুং আৰু উমৰাংচু অঞ্চলত সাতটা চূনশিল ব্লকৰ নিলামৰ কাম আৰম্ভ হৈছে। ইতিমধ্যে পাঁচটা চূনশিল ব্লকৰ নিলাম সফলভাৱে সম্পন্ন হৈছে আৰু দুটা ব্লকৰ নিলাম প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাকে ধৰি পাহাৰীয়া জিলাসমূহত খনিজ সম্পদৰ অন্বেষণৰ বাবে বৃস্তিত ৰূপৰেখা প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে খনিজ সম্পদৰ যথাযথ ব্যৱহাৰ সুনিশ্চিত কৰা হ'ব।

অসমত তিনি হাজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্প ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে কয়লা যোগান ধৰাৰ আশ্বাস দিছে। তদুপৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ উদ্যোগত এহেজাৰ মেগাৱাট সৌৰ শক্তি উৎপাদনৰ লক্ষ্যও নিৰ্ধাৰণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে খনিজ সম্পদ আহৰণৰ জৰিয়তে আদায় হোৱা ৰাজহৰ জৰিয়তে প্ৰতিখন ৰাজ্য উপকৃত হ'ব পাৰিব। আজিৰ সন্মিলনত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডী, কয়লা আৰু খনি ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্য চৰকাৰে প্ৰাপ্ত বয়স্ক লোকক আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত থকা নিয়মাৱলী অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি ১৮ বছৰৰ উৰ্ধৰ আধাৰৰ বাবে আবেদন কৰা লোকৰ তথ্যপাতিসমূহ অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰা হ'ব আৰু জিলা আয়ুক্তইহে তেওঁলোকক আধাৰ কাৰ্ড প্ৰদান কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অসম মন্ত্ৰীসভাৰ বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি

এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বাংলাদেশৰ পৰা অবৈধভাৱে অসমলৈ অহা লোকে যাতে আধাৰ কাৰ্ড লাভ কৰিব নোৱাৰে তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। আধাৰ কাৰ্ডৰ বাবে আবেদন কৰোঁতে অথবা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত পৰৱৰ্তী সময়ত জন্মৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

আজিৰ বৈঠকত আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তও গ্ৰহণ কৰা হয়। নামঘৰ, মন্দিৰ, মহিলা সমিতি আদিৰ বাবে ভূমি অধিকাৰত অনুমোদন জনোৱা হয়। তদুপৰি শিক্ষানুষ্ঠান আৰু সামাজিক, সাংস্কৃতিক সংগঠনৰ বাবে এহেজাৰৰো অধিক ভূমি অধিকাৰত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই এতিয়াৰে পৰা জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া লটাৰীৰ জৰিয়তে সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইপিনে, মৰাণ আৰু মটক স্বায়ত্ব পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোককহে ভোটদানৰ অধিকাৰ প্ৰদানৰ বিষয়টোতো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০

শৰাইঘাট দলঙৰ উত্তৰপাৰে থকা আগিয়াঠুৰী ৰে'ল ষ্টেচনৰ নাম ৰে'ল বিভাগক শুদ্ধকৈ লিখাৰ বাবে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ নেতৃত্বত এটা দলে আজি কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে, দীৰ্ঘদিন ধৰি এই ষ্টেচনটোৰ নাম ইংৰাজীত **আগথুৰি** বুলি লিখি অহা হৈছিল। জিলা আয়ুক্তগৰাকীয়ে এই স্মাৰকপত্ৰ গ্ৰহণ কৰি আগিয়াঠুৰী নামটো শুদ্ধ ৰূপত লিখাৰ বাবে শীঘ্ৰে ৰে'ল বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিব বুলি আশ্বাস দিয়ে। জিলা আয়ুক্তগৰাকীয়ে লগতে কামৰূপ জিলাৰ ঐতিহাসিক স্থানসমূহৰ লগতে উন্নয়নমূলক কামৰ অগ্ৰগতিৰ ক্ষেত্ৰত এটা তথ্য ভিত্তিক আলোচনা যুগুত কৰিবলৈও আকাশবাণীৰ বাতৰি বিভাগক আহ্বান জনায়।

০০০০

ৰাজ্যত জাপানীজ এনচেফেলাইটিছ ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে গুৱাহাটী মহানগৰীতো এই ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা ক্ৰমাৎ বাঢ়িছে। এই ৰোগত আক্ৰান্ত বহু লোক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। হাস্পতালখনত বৰ্তমান ৩২ গৰাকী এই ৰোগত আক্ৰান্ত ব্যক্তি চিকিৎসাধীন হৈ থকাৰ কথা সদৰী কৰি চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ অ চ্যুৎ বৈশ্যই কয়, যে এই .ৰোগত ইতিমধ্যে ৪ জন ৰোগীৰ মৃত্যু ঘটিছে। অধ্যক্ষগৰাকীয়ে লগতে জনাই যে, জাপানীজ এনচেফেলাই টিছত আক্ৰান্তসকলৰ ভিতৰত সৰ্বাধিক ১২ গৰাকী ৰোগী হৈছে কামৰূপ জিলাৰ।

০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ লেঙেৰীস্থিত কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ সভাকক্ষত আজি বিয়লিৰ ভাগত এখন বান সজাগতামূলক সভা অনুষ্ঠিত হয়। কাৰ্বি লাংপি প্ৰকল্পৰ মহাপ্ৰৱন্ধক লংছিং বে'ৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত এশ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানীয়ে প্ৰতিবছৰে ক্ষতিগ্ৰস্ত কৰা প্ৰায় অৰ্ধশতাধিক গাওঁৰ ৰাইজক সজাগ কৰাৰ অৰ্থে বিশদভাৱে আলোচনা কৰা হয়।

০০০০

সমাপ্ত